আলৈআথানি মূৰৰ খোপাটি
কপালৰ আগতে পৰিছে উফৰি ;
বুকৰে ৰিহা যে মাটিমুৰা কৰি
পৰিছে কোলাতে বই।

কেতেকীপাহিৰে কাঢ়ি ৰৰণকে
পিন্ধিলে কোমল গাত,
সেন্দূৰীয়া বেলিয়ে পাহৰি
এমুঠি কঁকাল ভৰেদি বহিছে
ভাবিগুণি আছে কিবা
দীঘলী লৱনী আঙুলি
থৰে লাগি লাগি
আপোনাৰে
ভৰিৰে আঙুলি কিনো মনে খোৱা
গঢ়ৰো যে বিজনি নাই,
নিতম্বযুৰিৰ কিনো তুলে দিওঁ
নিমজ হৈ পৰিছেগৈ।

ওঠৰে তুলে মই কিনো দিওঁ
কিনো দিওঁ
দিবলৈ নহয় যে ভুল
জগতৰ তাতে গোটে খালে,
উপচি পৰিছে
কেঁচাসোণৰ ৰৰণৰ
গালেখনি দেখি
হলেবা মনৰে ভুল,
কেতেকী-গোলাপৰ ৰৰণকে আনি
কৰে কিয় বিয়াকুল।

বুকুৰে বান্ধনি স্খলকি পৰিছে
দেখা পাই উদঙে বুকু
ডালিমৰ গুটিৰে মুকুতা
তাতে কি মোহিনী, তাতে কি অময়া
ৰাখিছা সখী মোৰ
গোলাপৰ পাহিৰে আৱৰি থৈ ?

তুমিতো নোহোৱা মঙহৰ
পুৰণি মঙহৰে গঢ়া ঐ
আছা পুতলাটি হৈ।

গোলাপফুল-কেতেকীৰ
ৰেণু উৰাই আনি
গঢ়িলে দেহা।
কোন পুৰী কৰিছা পগলা
চৰণৰ নূপুৰ-ধ্বনিয়ে
কোন পুৰী কৰিছা বলিয়া
আলসুৱা দেহাটিৰ
নিৰিত্য-ভঙ্গীৰে।

জাগিছে নে শুই থকা
মুগ্ধা কুঁৱৰী
হাঁহি উষা দেৱী
সপ্তমৰ কণ্ঠস্বৰ শুনি ?

কঁপিছে নে কুঁৱৰীৰ
মধুৰ যৌৱন
শুনি শুনি তোমাৰেই
কণ্ঠৰ ধ্বনি ?

তোমাৰেই কুমলীয়া
আঙুলি মাজৰ
ভুৱনবিজয়ী লেখনীয়ে
আঁকিছে নে কাৰোবাৰ
হৃদয়-হৰণ ?
সপোনতে চুমা খাই
মন হৰি নিয়ে।
হ'ল নে তোমাৰ শেষ
সৌন্দৰ্য্য-সাধনা,
অনন্ত-বাসনা যাৰ
পৰা নাই ওৰ,
পালা নে বিচাৰি দেৱী
যুগমীয়া সৌন্দৰ্য্যৰ
নিমাত দেৱতাজনা
সখী হে'বা সৌন্দৰ্য্য-বিভোৰ।
তোমাৰ তুলীৰ ৰেখা
এটি এটিকৈ
উঠিছে নে ফুটি সখী
শত শত ৰূপবান হৈ ?
আহিছে নে এতিয়াও
তুলীৰ আগেদি
ৰূপৰ স্ফটিক-পানী
শতধাৰা হৈ ?
গঢ়িলা যি তুলিৰ আগেদি
জগতৰ চিৰশ্ৰেষ্ঠ
অনিন্দ্যসুন্দৰ,
ধন্য সখী তোমাৰ লেখনী।

বাণৰ জীয়ৰী উষা
সপোনত দেখা ৰূপ
প্ৰত্যক্ষ কৰিলা আনি
সখীব্ৰতা!
ৰাখিলা যে সখীৰ জীৱন।

দিগন্ত বিয়পা কিনো
মায়াপী শৰীৰী তুমি
ইঙ্গিতত তধা লাগে তৰুণ তপন,

বিস্ময়ত মুগ্ধ হৈ
চাই ৰয় মাথো
তোমাৰ মায়ালীলা
কত শত লক্ষ ভুৱন।

ৰূপহী নোহোৱা তুমি
তাতোকৈও আৰু আছে যদি
সেয়ে হোৱা তুমি,

জগতৰ চিৰশ্ৰেষ্ঠ
সকলো ৰূপহী
তোমাৰ ৰূপৰ মাজেমাজে
চাব পাৰে জুমি।

তোমাৰ ৰূপৰ সখী
তুমিয়েহে তুল
সামৰিছা মহাবিশ্ব
তোমাৰ ৰূপত,

বিশ্বৰ সঙ্গীত আহি
আছে গোট খাই
তোমাৰেই বিজয়ী কণ্ঠত।

কোন ৰহস্যৰ আঁৰ হৈ
ফুৰা সখী লুকাই লুকাই
মূৰ্ত্ত হৈ দিয়াচোন দেখা,
কবিৰ কল্পনা পুনু ঠন ধৰাবলে'
আহাঁ আজি সখী চিত্ৰলেখা!

---

# লাচিতৰ আহ্বান

সৌৱা—
শৰাইঘাট ;
প্ৰশস্ত
নিমাত।

ৰামসিংহ বীৰ
বিজয়ৰ গৰৱেৰে উন্নত শিৰ,
পিন্ধি জয়োজ্জ্বল শিৰস্ত্ৰাণ
লৈ আহে
দম্ভালি দম্ভালি
ভাৰতবিজয়ী অভিযান।

অলৰ-অচৰ মোৰ
বজ্ৰপাথৰ
অস্থিত আহি আহি হানিছে আঘাত,
প্ৰতিঘাত পাই
হতবীৰ্য্য সিংহ সম
যায়
শতমুখে অসমীয়া যুঁজাৰুৰ
গৌৰৱ গায়।

সৌৱা—
মোৰ নীলাচল সম

বুকুৰ পটাত
অস্ত্রাঘাত ব্যৰ্থ হ'ল,
সাম্রাজ্যৰ দম্ভ ধূলিসাৎ
বিজয়ীবাহিনী উৎখাৎ।

সৌৱা—
শৰাইঘাট,
প্ৰশস্ত
নিমাত।

নিমাত? নিমাত? নহয় নিমাত
দেশ ৰাখ, দেশ ৰাখ বুলি
উঠে শুন অৰ্ব্বুদ মাত।

প্ৰতিধ্বনি
উঠে তাৰ
অসমীয়া নবীনৰ
তপত হিঁয়াত,
সিৰাই সিৰাই
অগ্নিপাত।

আসুৰীয়
বিজ্ঞানৰ
ঘৰ্ষণ-গৰ্জ্জন
ভেদি আহে
শুন সৌ
শৰাইঘাটৰ
বজ্ৰভাৰী সিংহনাদ,
শতাব্দী সুপ্তিৰ ছিণ্ড্ ভাঙ্
লোহাৰ শৃঙ্খল

এদিনলৈ' হ' উশৃঙ্খল
লুইতত্তে
জহি যাওক
জড়-অৱসাদ,
সিংহৰ পোৱালি তই
নবীন অসমীয়া
সুঘোষিত কৰ তোৰ
অধিকাৰবাদ,
বিপ্লৱী তূৰ্য্য-নিনাদ।

সৌৱা—
শৰাইঘাট,
প্ৰশান্ত
নিমাত
লক্ষ লক্ষ অসমীয়া
নৱীনৰ
বক্ষ ঝৰি ঝৰি
ৰঙা তেজ কলিজাৰ
নিজৰি নিজৰি
অসমীৰ চৰণ ধুৱাই
শৰাইঘাটৰ সৌ
বালি-মাটিয়ে
আছে মিল খাই
নবীনৰ তেজ-পানী পাই
গজালি সঁজালি আছে
ন-যুজাকৱে হাঁহে
জীৱন-যুঁজৰ বাৰ্ত্তা পাই
শকতিৰ শঙ্খ বজায়।

বুৰঞ্জী বিদাৰি তই
মোক চা, নিজকে চা
বান্ধি লৈ সাহ,
যন্ত্রযুগৰ নৱ
মন্ত্র ফুকাৰি তই
শঙ্কা পেলাই দি
আগবাঢ়ি আহ।
নতুন দিনৰ অসমীয়া
যুগে যুগে হবি তই
শৰাইঘটীয়া,
তোৰ দেশ ৰাখিবলে'
গঢ়ি গঢ়ি লবি তই
নতুন হিলৈ
চিৰজয়ী হবি তই
মাভৈ মাভৈ।
মোমাই দুখণ্ড কৰা
তৰোৱাল এতিয়াও লই
তইঁতৰ কাষে কাষে
ঘূৰি ফুৰি
বিৰাজিছোঁ
শকতিৰ সূৰ্য্য সম মই
নাই ভয়, হ'ব তোৰ জয়।
কোন তই ?
কোন তই
দাসত্বৰ পিন্ধি
স্বৰ্ণময়
মোহমণিবন্ধ

অৱসাদক্লিষ্ট
নিৰাশাৰে বুকু ধুনি
কুতৰ্কমুগ্ধ,
দেখিও নেদেখি একো
হই আছ অন্ধ?

দৈন্য-বিপদ পৰান্মুখ
কৰ্ম্মবিমুখ
কোন তই কাপুৰুষ মূৰ্খ দুৰ্ম্মুখ?
শৰাইঘটীয়া সৈন্যদল!
নাই তেন্তে কিয় তোৰ
আপোনাৰ বিশ্বাস অটল?

সাৰ কৰি
মাথোঁ
ভোগ-সুখ
কৰ্ত্তব্যৰ নহলি সন্মুখ,
মোমাইতামুলী গড়ে
প্ৰত্যক্ষ কৰিলে যি
জননী ৰক্ষাৰ বাবে ভৈৰৱ শক্তি,
জনা নাই তই জানো
আকৌ তাৰেই হ'ব পুনৰাবৃত্তি?

তেজপিয়া তৰোৱালে
ৰাম তৰোৱালে
একেই তেজকে পিব
ঝলসি শক্তি দিব
যুগে কালে-কালে।

সন্মুখত থিয় দিব আহি হাঁহি
ভালে ভালে।

কোনে কলে নাই?
কোনে ক'লে নাই?
গদাপাণি নাই?
তই দেখা নাই?

সোঁৱা তোৰ গদাপাণি
ঘোষিছে বজ্রবাণী
ভৈয়ামে ভৈয়ামে ফুৰি অনাইবনাই—
কৰ্ত্তব্যৰ যজ্ঞ জ্বালি
ত্যাগৰ মহাযোগী
ল'ৰা-তিৰোতা সঁপি
শক্তিমন্ত্র জপি,
আছে বাট চাই
পৰ্ব্বতৰ গুহাত সোমাই,
দেশৰ কল্যাণৰূপী
আশা-কল্পনাই
মনৰ ডালিমী হৈ
নিৰাশাৰ বন ভেদি
ভৈয়ামলৈ বৈ অহা
মন-জুবিটিৰ
পাৰে পাৰে
নাচি নাচি
সঞ্জীৱনী গায়ত্ৰী
শুনায়।

ৰুদ্ধ বীৰ্য্য গদাপাণি হব অনিৰুদ্ধ
জয়াৰ শকতিৰে দেশ হ'ব উদ্বুদ্ধ
অত্যাচাৰী লালুকৰ
সপোন চূৰ্ণ কৰি
জয় কৰি দিবহি
অসমীয়া জীৱনৰ
নৱযুগ-যুদ্ধ ;

নবীন যোৱান এক
উজ্বলিব অসমত
ৰুদ্ৰসিংহৰূপে
নিৰ্ম্মল শুদ্ধ
পূৰ্ব্বভাৰত জ্ঞানবৃদ্ধ।

# জয়মতীৰ আত্মাৰ উক্তি

মই অচ্ছেদ্য
মই অক্লেদ্য
মই অদাহ্য
চানেকীৰো চানেকী মহাচানেকী মই
দিঠকৰ সত্য,
মহামানৱৰ ময়ে আদৰ্শ সনাতন
কাললৈ মুমাই জ্বলোঁ চিৰকাল মই চিৰনিত্য
ময়ে মহাসত্য।

জগাবলে' নিষ্পেষিত
দলিত ধৰিত্ৰী,
প্ৰতিবোধ কৰিবলে'
পাশৱীয় শকতিৰ উন্মত্ত বিলাস,
অমোঘ শকতি লৈ
আঁচলত মোৰ
জাগোঁ অহোৰাত্ৰি।

জাগ আজি পৃথিৱীৰ
নিষ্পেষিত ধৰ্ষিত
দলিত স্খলিত যত
হতবীৰ্য্য নিৰাশ মানৱ!
দিবলৈ তহঁতক শকতিৰ অগ্নিবাণ
পিন্ধাবলে' বিজয়ী তিলক,

পাৰে পাৰে জ্বলি আছোঁ জয়সাগৰৰ
দিগন্ত পোহৰ কৰি
অনিৰ্ব্বাপিত মই প্ৰদীপ্ত আহৰ
ব্যৰ্থ কৰি জেৰেঙাৰ শত অত্যাচাৰ
বোধি-গচকি মই আসুৰীয় শকতিৰ
শত অবিচাৰ
ভেদিলোঁ ছলনা পাশৱিক ক্ৰুৰতাৰ।
পণ্ড কৰি অভিযান
অন্ধ ক্ষমতাৰ
জয়সাগৰৰ পাৰে পাৰে
ফুৰোঁ মই পূৰ্ণিমাই পূৰ্ণিমাই
থাকি উজাগৰে।

দেখিছনে অসমীয়া
দেখিছ নে ভাৰতৰ দলিত মানৱে
দেখিছ নে পৃথিৱীৰ
দেশ-বিদেশৰ
শক্তিহীন আৰ্ত্ত সবে ?

আছোঁ মই আজিও জীয়াই
অজেয় আতমা লৈ
মৃত্যুহীনা মই
কলিৰ প্ৰদীপ হৈ
অসমৰ কোলা শুৱাই ;
চালে দেখিবি মোক জয়সাগৰত
পূৰ্ণিমাৰ নিশাই নিশাই।

ব্যৰ্থ কৰিলে যত পশুশকতিৰ
নিৰ্ম্মম অপঘাত

আসুৰীয় সভ্যতাক প্ৰতিৰোধ কৰিবলে'
জগাবলে' অব্যৰ্থ সংঘাত,
উদ্বোধিত কৰিবলে' আত্মাৰ শক্তিৰ
অসুৰবিনাশী বজ্ৰপাত।
অমোঘ মন্ত্ৰৰ ময়ে মন্ত্ৰদাত্ৰী
দধীচি-ত্যাগৰ কৰি পুনৰাভিনয়
জেৰেঙাত অস্থি দিলোঁ
ৰচিবলে' নবীন ধৰিত্ৰী।
মহামানৱৰ
দৈৱী বিজয়ৰ
আলোক-বৰ্ত্তি ময়ে
ময়ে জয়মতী,
কালাগ্নি জিনি মই
জ্বলোঁ জয়সাগৰত
শকতি-যজ্ঞ সম
কেতিয়াও নুনুমায় প্ৰেৰণাৰ বাঁতি
নৱালোক দূতী।
উদ্বোধিত যত
দৈবী মানৱৰ
অভ্ৰান্ত ভাগ্যৰ
ময়ে বাট দেখুৱাওঁ
ময়ে মহাসতী
মই পুণ্যৱতী,
ধ্ৰুৱতাৰকা সম জ্বলন্ত জ্যোতি।

# কনকলতা

বিয়াল্লিছৰ পুৰা জ্বলিলে তেজৰ জুই,
ক্ষুব্ধ জন-দেৱতা জাগিলে
জাগিলে ধৰ্ষিত-দলিত আত্মা
—যিবা আছিল শুই।

বিজুলী-প্লাৱনে বিয়পি পৰিলে সেনানীৰ আহ্বান
পূৰবে-পছিমে ৰজন্‌জনালে অগ্নিকবিৰ গান—
"তই কৰিব লাগিব অগ্নিস্নান
সাজু হ, সাজু হ নৱ-জোৱান।"

হুঙ্কাৰি উঠিল মুক্তি-যুঁজাৰু
ওলাই আহিল অসমী গাভৰু
মৃত্যুবিজয়ী গাঁৱৰ জীয়ৰী
দীপ্ত কনকলতা,
লুইতৰ পাৰৰ ৰণৰঙ্গিনী—স্বদেশ-মুক্তিব্ৰতা।

মুক্তি-বিচৰা ভাৰতে আজি ধৰিছে নতুন গান
বিশ্বমেলত ঠাই বিচাৰিছে, জাগিছে দেশত প্ৰাণ।
তেজপুৰৰ কলংপুৰ ঠাইমান শুৱনি নাই,
ভাষা-সাহিত্যৰ পুণ্য পিতামহ হৰিবিলাসৰ
এয়ে ওপজা ঠাই,
তেওঁৰে যহতে পোনপ্ৰথমে
মহাপুৰুষৰ ধৰ্ম্মপুথিয়ে
ছপাত প্ৰকাশ পায়।

তাতে জনমা চন্দ্ৰকুমাৰ, আনন্দচন্দ্ৰ
আৰু লম্বোদৰ বৰাই
সাহিত্যত অক্ষয় কীৰিতি ৰাখি
বুৰঞ্জীত থলে নাম জ্বলাই।
অৰুণোদয়ৰ পুৰণি লিখক
নিধি লেভি ফেৰৱেল্,
অগ্নিঋষি কমলাকান্তই
বহি ইয়াতেই লিখি থৈ গ'ল
কবিতা কতনো পাতি দৰ্শনৰ মেল।
অসমীয়াৰ কথাছবি জয়মতী
কলংপুৰৰ চিত্ৰবনতে হয়
প্ৰশান্ত হাঁহিৰে ছবিৰ নিজৰা বয়,
ইয়াতে আকৌ কনকলতাই
বুকুৰ তেজেৰে লিখে উজ্জ্বলাই
"জয় ভাৰতৰ জয়।"
কলংপুৰৰ কোলাত আছে গাঁও বৰঙাবাৰী
তাতে পুৰণিকলীয়া দোলাকাষৰীয়া
বৰুৱা-ঘৰৰ শাৰী,
তাৰে এঘৰতে বুঢ়া ককাকেৰে
আছিলে কনকলতা,
পাটগাভৰু ছোৱালীজনী
ন-জীৱনৰ ন-সপোনেৰে
মনতে পুলকিতা।
ষোড়শী কালৰ কত হাবিলাষ
জীৱনৰ কত আশে,
মধুময় কত ৰাঙলী সপোনে
ঘূৰি ফুৰে কাষে কাষে।

নৱ-যৌৱনৰ গানে—
ভাবী জীৱনৰ কত আলসুৱা কথা কৈছিলে
গুণগুণনিৰে বৈ বৈ কাণে কাণে।
পুৱা ৰ'দালিয়ে
ফুলৰ হাঁহিয়ে
বাৰিষাৰ চকামকা বিজুলীয়ে
আহিবলগীয়া জীৱন দিনৰ
বিয়ানামসুৰীয়া কত বতৰা আনে ;
তাইৰ বুকুৰ মাজত কত উঠে ঢৌ
বাৰিষাৰ বানে বানে।
সেউজী পথাৰৰ শান্তিয়ে তাইৰ
বুকু ওপচাই আছে,
ভালপায় তাই শইছ সোণোৱালী
ভালপায় তাই দামুৰিপোৱালি
চোতালৰ ছবৰি যাঁচে।
ভালপায় তাই তামোলেৰে ভৰা
আপোনাৰ বাৰীখন,
ভালপায় তাই তগৰ-মালতী
নাহৰ-কেতেকী
লিহিৰিপতীয়া গোন্ধোৱা বিৰিণা বন।
ভালপায় তাই আপোন দেশৰ
আকাশ-বতাহ-জোন,
ভালপায় তাই লুইতৰ বা
কয় কিবা কুণ কুণ।
গাভৰু কালৰ সুখৰ সপোন দেখি
তাঁতৰ পাতত
চানেকী বাছোঁতে পিছে

দেখিলে এদিন কোনোবা কবিয়ে
বাটে বাটে দেখোঁ অগ্নি-গানৰ
জুই-ফিৰিঙতি সিঁচে।

সুৰৰ ফিৰিঙতি সিঁচি যাব তই
কিহৰ বেজাৰ তোৰ—
কি অসহনি ব্যাথা জ্বলি উঠি
ধৰিছে কালৰ মূৰ্ত্তি ঘোৰ?
গানে-সুৰে মাথোঁ গুমৰি উঠিল
দেশ পদানত বুলি,
মাতৃৰ কাৰণে তেজ দিব পৰা
কোন ক'ত আছ সোণকালে আহ
ভাৰতৰ শিকলি দিবলে' খুলি।

পুৱতিতে অহা অগ্নিগায়ক
সন্ধিয়া গুচি গ'ল,
তাৰ গান-সুৰ
ৰাতিৰ ৰাতিটো
কনকলতাৰ সপোনত বাজি ৰ'ল;
হাঁহিমুখী সৌ পাটগাভৰুৰ
নতুন কথাৰ ন-ভাবনাত
মুখনি গহীন হ'ল।

পুৱতি উঠি কি
মনতে ভাবিলে তাই
—"আমাৰ দেশৰ আজি একোটো নাই,
সাত-সাগৰৰ সিপাৰৰ পৰা
কোনোবা এজন ইংৰাজ বজাই
আমাৰ দেশ চলায়।

গোলাম বিদেশীৰ আমি অসমীয়া
মৌকোঁহখিনি কোনে চুহি নিয়ে
মূৰ ভুকুৱাই হজুৱা-বনুৱা মৰে,
জীৱন উছৰ্গি দলে দলে গৈ
আমি নমৰিলে
কেনেকৈ দেশ তৰে।

মনতে পাঙিলে
দেশৰ কাৰণে জীৱন উছৰ্গিম,
সময় আহিলে
বুকুৰ তেজকো আঁজলিৰে বাকি দিম।

সেই সময়ত সমৰৰ জুই
জ্বলিছিলে পৃথিৱীত,
যান্ত্রিকদলে আপোন পাহৰি
হেৰুৱালে হিতাহিত।

স্বার্থ-ক্ষমতা লোভত অন্ধ
আসুৰী সভ্যতাৰ,
সাগৰে-নগৰে অৰণ্যে-পাহাৰে
আকাশৰ স্তৰে স্তৰে
দিনে-ৰাতিয়ে
যাচিছিলে মহামাৰ,
যন্ত্রভূতৰ নাৰকীয় লীলা
মত্ত সহিংসাৰ।

ৰজা উন্মাদ, প্রজা উন্মাদ
উন্মাদ যত শাসক-শোষক দল
জড়-বিজ্ঞানৰ সংহাৰ লীলাই
বোৱালে তেজৰ ধল।